**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-11-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

*Headlines*

১। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওপৰেৰে নিৰ্মাণ কৰিবলগীয়া ৩৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰৰ নিৰ্মাণকাৰ্য ক্ষিপ্ৰ কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক গায়েনাৰ সৰ্বোচ্চ সন্মান দা অৰ্ডাৰ অৱ্ এক্সিলেঞ্চ প্ৰদান।

৩। ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ খানাপাৰাত অসম গ্ৰন্থমেলাৰ আয়োজন।

৪। গোৱাত কালিৰেপৰা ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত।

*আৰু*

৫। এছিয়ান চেম্পিয়নছ্ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ দখল কৰাৰ বাবে মহিলাৰ ভাৰতীয় হকী দলটোলৈ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ অভিনন্দন।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওপৰেৰে নিৰ্মাণ কৰিবলগীয়া ৩৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰৰ নিৰ্মাণকাৰ্য ক্ষিপ্ৰ কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে। ন্যায়াধীশ বি আৰ গাৱাই আৰু কে ভি বিশ্বনাথনক লৈ গঠিত খণ্ড বিচাৰপীঠে কালি অসম চৰকাৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ দাখিল কৰা শপতনামা গ্ৰহণ কৰি এই নিৰ্দেশ দিয়ে। উচ্চতম ন্যায়ালয়ে ইতিপূৰ্বে দিয়া নিৰ্দেশ অনুসৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদেও কালি শপতনামা দাখিল কৰে। প্ৰস্তাৱিত চাৰিশৰীয়া কৰিড'ৰটোৰ নিৰ্মাণৰ জৰিয়তে ১১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৰ্থাৎ পূৰ্বৰ ৪৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৩৪ দশমিক দুই - ৮ কিলোমিটাৰ অংশ ৰাষ্ট্ৰীয় উদ্যানখনৰ ওপৰেৰে দুই মূৰত সংযোজিত হ'ব। উদ্যানখনৰ বন্যপ্ৰাণী বিশেষকৈ পৃথিৱী বিখ্যাত এটা খড়্গযুক্ত গঁড়ৰ সুৰক্ষাৰ বাবে এই কৰিড'ৰৰ নিৰ্মাণ অতি গুৰুত্বপূৰ্ণ বুলি ন্যায়ালয়ে মত প্ৰকাশ কৰে। কালিৰ শুনানিকালত উদ্যানখনৰ দক্ষিণ দিশে হোৱা অবৈধ খনন ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰ সফল হোৱাত আদালতে সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক গায়েনাৰ সৰ্বোচ্চ সন্মান দা অৰ্ডাৰ অৱ্ এক্সিলেঞ্চ প্ৰদান কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে যোৱানিশা ডমিনিকাৰ প্ৰধানমন্ত্ৰী ৰুজৱেল্ট স্কেৰিটক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে তেওঁলৈ দেশখনৰ সৰ্বোচ্চ সন্মান প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই জলবায়ু স্থিতিস্থাপকতা, স্বাস্থ্য সেৱা, ক্ষমতা বিকাশ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক আদি বিভিন্ন ক্ষেত্ৰত দেশ দুখনৰ মাজৰ সহযোগিতা সুদৃঢ় কৰাৰ দিশ সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘত সহযোগিতাৰ বিষয় লৈও আলোচনা কৰে।

শ্ৰীমোদীয়ে চুৰিনামৰ ৰাষ্ট্ৰপতি চন্দ্ৰিকাপ্ৰসাদ চান চন্তোখীকো সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই ভাৰত-চুৰীনাম অংশীদাৰিত্বৰ অগ্ৰগতি পৰ্যালোচনা কৰে আৰু অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰাৰ সন্দৰ্ভত গুৰুত্ব প্ৰদান কৰে। তেওঁলোকে প্ৰতিৰক্ষা আৰু সুৰক্ষা, ব্যৱসায় আৰু বাণিজ্য, কৃষি, ডিজিটেল উদ্যম, স্বাস্থ্যসেৱা আদিকে ধৰি ভালেমান ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা সম্প্ৰসাৰণ কৰাৰ বাবেও সহমত প্ৰকাশ কৰে।

এই সন্মিলনৰ সুযোগতে শ্ৰীমোদীয়ে ত্ৰিনিডাড আৰু ট'বেগ'ৰ প্ৰধানমন্ত্ৰী ড° কেইথ ৰাউলেক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে ভাৰতৰ ধ্বজ্জাবাহী ইউ পি আই মঞ্চ ব্যৱহাৰ কৰাৰ বাবে ড° ৰাউলেক শুভেচ্ছা জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই ডিজিটেল পৰিৱৰ্তন, স্বাস্থ্য, প্ৰতিৰক্ষা আৰু সামুদ্ৰিক নিৰাপত্তা, পৰিবহণ আৰু সাংস্কৃতিক বিনিময় আদি ভাৰত-ত্ৰিনিদাদ আৰু ট'বেগ'ৰ সম্পৰ্ক শক্তিশালী কৰাৰ দিশ সন্দৰ্ভত আলোচনা কৰে।

বাহামাচৰ প্ৰধানমন্ত্ৰী ফিলিপ ব্ৰেভ ডেভিছৰ সৈতে হোৱা সাক্ষাতৰ সময়ত শ্ৰীমোদীয়ে অৰ্থনৈতিক সম্পৰ্ক, জলবায়ু পৰিৱৰ্তন, সেউজ অংশীদাৰিত্ব শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। দুয়োগৰাকী নেতাই মাতৃৰ নামত এজোপা গছ অভিযান সন্দৰ্ভতো মত-বিনিময় কৰে।

প্ৰধানমন্ত্ৰী মোদী আৰু বাৰ্বাডোচৰ প্ৰধানমন্ত্ৰী মিয়া অমোৰ ম'টলীয় বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত থকা সহযোগিতাৰ পৰ্যালোচনা কৰাৰ লগতে দেশ-দুখনৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰা সন্দৰ্ভত আলোকপাত কৰে। এই আলোচনাৰ সময়ত বাৰ্বাডোচৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীমোদীক সন্মানীয় অৰ্ডাৰ অৱ ফ্ৰীডম অব বাৰ্বাডোচ সন্মান প্ৰদানৰ কথা ঘোষণা কৰে। অহা ৩০ নৱেম্বৰত শ্ৰীমোদীক এই সন্মান প্ৰদান কৰা হ'ব।

শ্ৰীমোদীয়ে গ্ৰেনাডাৰ প্ৰধানমন্ত্ৰী ডিকন মিটচেলকো সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে দ্বিতীয় ভাৰত কেৰীকম শীৰ্ষ সন্মিলন সফলতাৰে আয়োজন কৰাৰ বাবে শ্ৰীমিটচেলক অভিনন্দন জ্ঞাপন কৰে। নেতা দুগৰাকীয়ে শিক্ষা, আই চি টি, স্বাস্থ্যসেৱা, খাদ্য সুৰক্ষা, ক্ৰিকেট, ক্ষমতা বিকাশ আৰু স্থায়ী বিকাশ আদি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বিষয়েও আলোচনা কৰে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। নুনমাটিৰ পৰা আমবাৰীলৈকে উৰণ সেতুৰ নিৰ্মাণৰ কাম চলি থকাৰ বাবে চানমাৰিত হৈ থকা যান-জঁটৰ পৰিপ্ৰেক্ষিতত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিৱৰ্তে বিকল্প স্থান হিচাপে খানাপাৰাত এইবাৰৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব বুলি প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এটা বিবৃতিযোগে জানিবলৈ দিছে। ২৬ জানুৱাৰীৰ গণ্যৰাজ্য দিৱসৰ কাৰ্যসূচীৰ বাবে নিৰাপত্তাজনিত কাৰণত খেলপথাৰখন ব্যৱহাৰৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হৈছিল যদিও শিক্ষামন্ত্ৰী ডাo ৰণোজ পেগুৰ তৎপৰতাত খেলপথাৰখনত গ্ৰন্থমেলা অনুষ্ঠিত কৰিবলৈ অনুমতি লাভ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত গৃহ বিভাগে পূৰ্বৰ নিৰ্দিষ্ট সময়তকৈ দুটা দিন আগুৱাই গ্ৰন্থমেলাখন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰে।

প্ৰকাশন প্ৰতিষ্ঠান তথা অন্যান্য বিপণীৰ বাবে ইতিমধ্যে আবেদন পত্ৰ মুকলি কৰা হৈছে। গুৱাহাটীৰ বামুণীমৈদামত থকা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় তথা পাণবজাৰৰ যশৱন্ত পথৰ সৰস্বতী মাৰ্কেটত থকা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ কাৰ্যালয় আৰু www.publicationboardassam.com ৱেবছাইটৰ পৰা আবেদন সংগ্ৰহ কৰিব পাৰিব। সংগৃহীত আবেদন পত্ৰসমূহ পূৰণ কৰি অহা ৩ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অসমৰ লগতে দেশ-বিদেশৰ বহুকেইটা আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে ইতিমধ্যে অসম গ্ৰন্থমেলা, গুৱাহাটীত অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিছে।

০০০০০

আজি বিশ্ব মীন দিৱস। এইবাৰৰ মীন দিৱসৰ বিষয়বস্তু হ'ল ভাৰতৰ নীল ৰূপান্তৰণ ঃ ক্ষুদ্ৰ তথা বহনক্ষম মীন ক্ষেত্ৰৰ সবলীকৰণ। মীন দিৱস উপলক্ষে আজি দিছপুৰৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন কক্ষ তথা প্ৰশিক্ষণ কেন্দ্ৰত মীন মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিশ্ব মীন দিৱস উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত আধুনিক প্ৰযুক্তিৰ প্ৰয়োগে মৎস্যপালন খণ্ডত বিপুল সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে বুলি উল্লেখ কৰি কয়, যে বায়ফ্লক, জল সঞ্চালনৰ জৰিয়তে মৎস্যপালন, পোনা উৎপাদন তথা আলংকাৰিক মৎস্যপালন আদি প্ৰযুক্তিনিৰ্ভৰ খণ্ডসমূহে ৰাজ্যৰ মীন উদ্যোগটোক নতুন গতি দিবলৈ সক্ষম হৈছে। সম্প্ৰতি মৎস্য উদ্যোগৰ বিকাশত ষ্টাৰ্টআপৰ ব্যাপক ভূমিকাৰ বিষয়ে অসমৰ যুৱ প্ৰজন্ম সজাগ হোৱা উচিত বুলিও তেওঁ কয়।

বিশ্ব মীন দিৱসৰ উদ্দেশ্য হৈছে মৎস্য সম্পৰ্কীয় বহনক্ষম নীতিৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত, সাগৰীয় আৰু অলৱণীয় পানীৰ সম্পদলৈ অহা ভাবুকিৰ প্ৰতি দৃষ্টি আকৰ্ষণ, ক্ষুদ্ৰ মাছমৰীয়া সম্প্ৰদায়ৰ বাবে মানৱ অধিকাৰ শক্তিশালীকৰণ, অবৈধ, তথ্যবিহীন আৰু অনিয়ন্ত্ৰিত মৎস্য আহৰণ নিষিদ্ধকৰণ আৰু মৎস্য ক্ষেত্ৰত জড়িত ৰাইজৰ বাবে কৰ্মৰ পৰিৱেশ উন্নীতকৰণ কৰা।

ooooo

৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ কালি গোৱাৰ পানাজীত আৰম্ভ হৈছে। অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ ছবি প্ৰদৰ্শন আৰম্ভ হয়। কালি বিয়লি ৫ বজাত পানাজীৰ শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অংশ লৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই মহোৎসৱে ভাৰতত চলচ্চিত্ৰ উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সম্প্ৰতি দেশত বহুলোক উদ্ভাৱনীমূলক বিষয়ৰ সৃষ্টিৰ দ্বাৰা আগবাঢ়ি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ভাৰতক ন-ন বিষয় উদ্ভাৱনৰ দ্বাৰা কণ্টেণ্ট ক্ৰিয়েটৰ্ছ ইকোনমি হিচাপে বিকশাই তোলাৰ লক্ষ্য লোৱা হৈছে বুলি জানিবলৈ দিয়ে। কালিৰ অনুষ্ঠানতে **ৱেভছ** শীৰ্ষক প্ৰচাৰ ভাৰতীৰ OTT প্লেটফৰ্ম আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।

এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শিত হ'ব। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ ছবি প্ৰদৰ্শিত হ'ব।

উৎসৱস্থলীত উপস্থিত থকা বিশিষ্ট চলচিত্ৰ সমালোচক নয়ন প্ৰসাদে ক্ষন্তেক সময় পূৰ্বে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে-

**ভইচ (নয়ন প্ৰসাদ)**

ধন্যবাদ নয়ন প্ৰসাদ। কাইলৈ পুৱাৰ আঞ্চলিক বাতৰিত আমি পুনৰ এই প্ৰতিবেদনৰ পৰৱৰ্তী খণ্ড প্ৰচাৰ কৰিম।

ooooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ- CBSEয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ বোৰ্ড পৰীক্ষা অহা বছৰ ১৫ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব বুলি ঘোষণা কৰিছে। দশম শ্ৰেণীৰ পৰীক্ষা ১৮ মাৰ্চত আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা ৪ এপ্ৰিলত সামৰণি পৰিব।

ooooo

কালি ভোটগ্ৰহণ সম্পন্ন হোৱা মহাৰাষ্ট্ৰ আৰু ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ এগ্‌জিত প'লৰ প্ৰকাশৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় কেইখন বাতৰি কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন্যপ্ৰাণী সুৰক্ষাৰ বাবে নিৰ্মাণ কৰিবলগীয়া এলিভেটেড কৰিড'ৰ অৰ্থাৎ উদ্যানৰ ওপৰেৰে যোৱা পথৰ কাম ক্ষিপ্ৰতাৰে কৰিবলৈ উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশ সন্দৰ্ভত এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

একেটা বাতৰিকে দৈনিক জনমভূমি কাকতে কাজিৰঙাত এলিভেটেড কৰিড'ৰৰ নিৰ্মাণ ক্ষিপ্ৰতাৰে কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

টোলগে'ট স্থাপন কৰি শ শ কোটি টকাৰ মাচুল সংগ্ৰহ কৰি থকা হৈছে যদিও সঠিক সময়ত ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিত চৰকাৰে গুৰুত্ব নিদিয়াকলৈ এটা বাতৰি দৈনিক অসম কাকতে জৰাজীৰ্ণ ৰাষ্ট্ৰীয় পথত মাচুলৰ আতিশয্য শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

একেখন কাকতে অশান্ত মণিপুৰৰ সাতখন জিলাত আৰু তিনিদিনৰ বাবে মোবাইল ইণ্টানেট সেৱা কৰ্তন কৰাক লৈ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

খাদ্য বস্তু তথা অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম বৃদ্ধিৰ প্ৰতিবাদত ৰাজ্য সদৌ অসম ছাত্ৰ সন্থাৰ বিক্ষোভ প্ৰদৰ্শনৰ সন্দৰ্ভত এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে দাম বৃদ্ধিৰ বিৰুদ্ধে ৰাজ্যজুৰি আছুৰ বিক্ষোভ-প্ৰতিবাদী সমদল শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেটা বাতৰিকে অসমীয়া খবৰ কাকতে অস্তিত্বহীন যোগান বিভাগ, চৰকাৰক ধিক্কাৰ দি ৰাজ্যজুৰি আছুৰ প্ৰতিবাদ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ বিতৰ্কৰ মাজত আজিৰে পৰা নতুন নেতৃত্বৰ আৰম্ভ হোৱা সন্দৰ্ভত এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটীৰ বহু বাৰত মাৰাত্মক ড্ৰাগ বিক্ৰী হোৱাৰ লগতে অনৈতিক কাৰ্য সংঘটিত হয়, এই অভিযোগ গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাৰ। ২২৯ খন বাৰৰ মালিকৰ সৈতে বৈঠকত মিলিত হয় গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰা। এই বাতৰিটোক  গুৱাহাটীৰ বহু বাৰত বিক্ৰী হয় মাৰাত্মক ড্ৰাগ শিৰোনামেৰে আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

0000000

কলিয়াবৰৰ সোণাৰি-কামাখ্যা গাঁৱৰ দাঁতিকাষৰীয়া অঞ্চলত বিচৰণ কৰি ফুৰা চাৰিটা বাঘৰ এটা বাঘ আজি পুৱতি নিশা কাজিৰঙা বন বিভাগে পিঞ্জৰাবদ্ধ কৰিবলৈ সমৰ্থ হয়। বিগত প্ৰায়  ছমাহ অঞ্চলটোত বাঘৰ মুক্ত বিচৰণত অঞ্চলবাসীৰ মাজত আতংকৰ সৃষ্টি হৈছিল। বাঘটোৰে চকু আৰু ভৰিত আঘাত পোৱা বুলি অঞ্চলবাসীয়ে প্ৰত্যক্ষ কৰিছিল। নিশাৰ ভাগত কলঙৰ পাৰত পশু চিকিৎসক আৰু বন বিভাগৰ দলে বাঘটোক অচেতন কৰি পিঞ্জৰাবদ্ধ কৰে। পাছত বাঘটোক চিকিৎসাৰ বাবে কাজিৰঙা বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰলৈ লৈ যোৱা হয়।

00000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে তেলেংগানালৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি হায়দৰাবাদত কোটি দীপোৎসৱম-২০২৪ অনুষ্ঠানত অংশ ল'ব। কাইলৈ ৰাষ্ট্ৰপতি মুৰ্মুৱে হায়দৰাবাদত আয়োজিত লোক মন্থন-২০২৪ অনুষ্ঠানত উদ্বোধনী ভাষণ দিব।

০০০০০

মাজুলীৰ কমলাবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী, বিশিষ্ট লেখিকা মৃদুলা কাকতিৰ কালি গুৱাহাটীৰ নিজা বাসভৱনত দেহাৱসান হয়। মাজুলীৰ অগ্ৰণী মহিলাগৰাকীৰ মৃত্যুত বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ দখল কৰাৰ বাবে ভাৰতীয় হকী দলটোক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতিয়ে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয়, যে ভাৰতীয় মহিলা দলটো প্ৰতিযোগিতাত অপৰাজিত হৈ ৰয়, নিজৰ খিতাপ অক্ষুন্ন ৰাখে আৰু দেশৰ হৈ তৃতীয়বাৰৰ বাবে এছিয়ান চেম্পিয়নছ ট্ৰফীৰ তৃতীয়টো খিতাপ হস্তগত কৰে।

উপ-ৰাষ্ট্ৰপতিয়ে তেওঁৰ বাৰ্তাত কয়, যে এই জয়ে ভাৰতীয় দলৰ অভূতপূৰ্ব দক্ষতা, দৃঢ় সংকল্প আৰু অনুশাসনৰ কথাকে সূচাইছে। উল্লেখযোগ্য যে বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে কালি চীনক ১-০ গ'লত পৰাস্ত কৰি খিতাপ দখল কৰে। খেলখনত দীপিকাই ভাৰতৰ হৈ একমাত্ৰ গ'লটো দিয়ে।

০০০০০

**সমাপ্ত**